**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে। জনতাভৱনত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ এখন বৈঠকৰ বিষয়ে সংবাদ মাধ্যমক জানিবলৈ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে মন্ত্ৰীসভাৰ আজিৰ বৈঠকত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ মুকলি কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে মথাউৰি নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠনত আজিৰ মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। জিলা আৰু সমজিলা পৰ্যায়ত এই সমিতিসমূহ গঠন কৰা হ'ব।

আজিৰ বৈঠকত চাহ জনগোষ্ঠীৰ বাবেও কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৭৫০ কোটি টকা ব্যয়ৰে ৫০০ চাহ বাগিচাত নিৰ্মাণ কৰা

মন্ত্ৰীসভাৰ আজিৰ বৈঠকত জাগীৰোডত ১৪২ কোটি টকা ব্যয় সাপেক্ষ কৰ্মৰত মহিলাৰ আবাস এটা নিৰ্মাণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল নিৰ্বাচনী কাম-কাজত ব্যস্ত থকাৰ উপৰি ২০ মে' পৰ্যন্ত নিৰ্বাচনী প্ৰক্ৰিয়া চলিবলগীয়া বিষয়টো বিবেচনা কৰি বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেষণা অনুসৰি প্ৰথমবৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কোনো শিক্ষানুষ্ঠান বা শিক্ষাৰ্থীয়ে পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ দক্ষতা পৰীক্ষা কৰিব বিচাৰিলে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা অধ্যয়ন আৰু অনুশীলনৰ বাবে প্ৰশ্নকাকত সংগ্ৰহ কৰিব পাৰিব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। অৱশ্যে প্ৰশ্ন কাকতৰ টোপোলা খোলাৰ বাবে যিসমূহ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে তদন্ত চলি আছে, তেনে শিক্ষানুষ্ঠানে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা দক্ষতা পৰীক্ষাৰ বাবে প্ৰশ্ন কাকত আনিব নোৱাৰিব। পৰিষদে লগতে ছাত্ৰ-ছাত্ৰীসকলৰ একাদশ শ্ৰেণীৰ মাৰ্কশ্বিটসমূহ বিদ্যালয় শিক্ষা পৰিষদৰ সংমণ্ডল দুইৰ ৱেবছাইটৰ পৰা ডাউনলোড কৰিবলৈ শিক্ষানুষ্ঠানসমূহক কৰ্তৃত্ব প্ৰদান কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা বা হৈ যোৱা প্ৰথমবৰ্ষৰ পৰীক্ষাকেইটাত লাভ কৰা গড় নম্বৰৰ ভিত্তিত বাকী থকা বিষয়কেইটাত

ছাত্ৰ-ছাত্ৰীসকল নম্বৰ প্ৰদান কৰিব লাগিব। অহা ১৫ জুনৰ ভিতৰত নম্বৰ প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে নিশ্চিত সংখ্যাগৰিষ্ঠতা লাভৰ দিশত অগ্ৰসৰ হৈছে।

কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিৰ ১০টাত ৰাভা যৌথ সংগ্ৰাম সমিতি, তিনিটা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীৰ বিজয় সুনিশ্চিত হৈছে। বকো সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী সুমিত ৰাভা, জোঙাখুলি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, উত্তৰ বনগাঁৱত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী আদিত্য ৰাভা, জাৰিহাট সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অশোক কুমাৰ ৰাভা, পাণ্টানত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰমাকান্ত ৰাভা, গোৱৰ্ধনত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী জ্যোতিষ চন্দ্ৰ ৰাভা, ৰাণী সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী পুষ্পাঞ্জলি কুমাৰী বড়ো, দক্ষিণ বনগাঁও সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী মিনতি ৰাভা, চানডুবিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী নৃপেন চন্দ্ৰ ৰাভা আৰু কুলচি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰশ্মি মালা ৰাভা জয়ী হৈছে। একেদৰে শিলপোটা সমষ্টিত বিজেপি প্ৰাৰ্থী কমলেশ্বৰ ৰাভা, বামুনীগাঁও সমষ্টিত বিজেপি প্ৰাৰ্থী অজিৎ ৰাভা, বন্দাপাৰা সমষ্টিত বিজেপি প্ৰাৰ্থী মেঘালি ৰাভা আৰু লুকি সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ৰেলিনা জে মাৰাক তৃতীয় তথা অন্তিম পৰ্যায়ৰ ভোট গণনাৰ অন্তত নিকটতম প্ৰাৰ্থীতকৈ নিৰ্ণায়ক ভোটত আগবাঢ়ি থকা হেতুকে তেওঁলোকৰ বিজয় সুনিশ্চিত হৈছে। অৱশ্যে আনুষ্ঠানিকভাৱে এই ফলাফল ঘোষণা কৰিবলৈ এতিয়াও বাকী আছে বুলি আমাৰ কামৰূপৰ সংবাদদাতাই জনাইছে।

গোৱালপাৰা জিলাৰ ১৯ টা পৰিষদীয় সমষ্টিটো এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে সংখ্যাগৰিষ্ঠতা লাভৰ দিশত আগবাঢ়িছে। ধুপধৰা সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ অনাদি চৰকাৰ, কোঠাকুটি সমষ্টিত বিজেপি প্ৰাৰ্থী ভৈৰৱ কছাৰী, দুধনৈ সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ উজ্বলা ব্ৰহ্ম, মাজজাখিলি সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ প্ৰবোধ কলিতা, ধনুভাঙা সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ ফণীন্দ্ৰ ৰাভা, হাব্ৰাঘাট সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ প্ৰতাপ ৰাভা, দক্ষিণ দুধনৈ সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ টংকেশ্বৰ ৰাভা আৰু কুশধোৱা-দৰংগিৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী পৰমা ৰাভাই অন্তিম ৰাউণ্ডত বৃহৎ ব্যৱধানত অগ্ৰগতি লাভ কৰিছে।

উল্লেখযোগ্য যে, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে গোৱালপাৰা জিলাত ২০টা সমষ্টি আছিল যদিও ইয়াৰে এটা সমষ্টিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত ১৯টা সমষ্টিত ভোটগ্ৰহণ কৰা হৈছিল।

০০০০০০০

অসম সাহিত্য সভাই প্ৰতিবছৰে পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে পালন কৰি আহিছে। সেই অনুসৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাই সমূহ জিলা আৰু শাখা সাহিত্য সভালৈ আজি পত্ৰ প্ৰেৰণ কৰি পহিলা ব'হাগৰ দিনটো ৬৫ বছৰৰ উৰ্ধৰ জাতীয় জীৱনৰ লগত সংপৃক্ত ব্যক্তিসকলৰ ঘৰলৈ গৈ বিহুৰ শুভেচ্ছা আৰু সন্মান জনাবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে অসম সাহিত্য সভাই

প্ৰতিবছৰে পালন কৰি অহা **নিজৰ দিন** অনুষ্ঠানটিৰ জৰিয়তে অসমীয়া কৃষ্টি, সংস্কৃতিৰ  বিকাশ আৰু জাতীয় জীৱনলৈ অৱদান আগবঢ়োৱা ব্যক্তিসকলক সন্মানিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

0000000

**সমাপ্ত**